

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

সপ্তম শ্রেণীৰ পাঠ্যপুথি

সমাজ বিজ্ঞান

(দ্বিতীয় ভাগ)

ইতিহাস খণ্ডৰ আগকথা

পাঠ - ১৩

প্রাক্‌ঐতিহাসিক অসম

অংশ – ৭ (প্রশ্ন-উত্তৰ)
পৰিনীতা দেৱী

৬। ৫০ টা মান শব্দৰ ভিতৰত উত্তৰ লিখা।

(ক) আখ্যান, কিংবদন্তি আৰু ইতিহাসৰ মাজত পার্থক্য।

উত্তৰঃ আখ্যান, কিংবদন্তি আৰু ইতিহাসৰ মাজত পার্থক্যসমূহ হ'ল–

আখ্যান, কিংবদন্তি	ইতিহাস
আখ্যানবোৰত ধর্মীয় কাহিনীবোৰ কল্পনাৰ ৰহন সানি প্রকাশ কৰা হয়। আৰু কিংবদন্তিবোৰত দেৱ দেৱী বা কোনো বিশেষ ব্যক্তি সম্পর্কে বছৰ বছৰ ধৰি কিছুমান প্রবাদ অথবা জনশ্রুতিৰ প্রচলন ঘটে।	ইতিহাসৰপৰা আমি আমাৰ অতীতৰ ঘটনাৰাজিৰ সঠিক আৰু বিষদ বিৱৰণ লাভ কৰিব পাৰো।
বহুতো আখ্যান আৰু কিংবদন্তি অসমৰ অতীত সম্পর্কে প্রচলিত হৈ আহিছে। কিন্তু বাস্তব ভিত্তিৰ অভাৱত এনে কাহিনীসমূহক আমি ইতিহাস বুলি ক'ব নোৱাৰো।	ইতিহাস হ'বলৈ হ'লে আমাক সঠিক আৰু শুদ্ধ তথ্যৰ দৰকাৰ হয়।

(খ) ভাস্কৰ বৰ্মণ আৰু হৰ্ষবৰ্ধনৰ সম্পৰ্ক।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

হংসবেগ

উত্তৰঃ ভাস্কৰ বৰ্মন হৰ্ষবৰ্ধনৰ সমসাময়িক আছিল। থানেশ্বৰ ৰাজ্যৰ ৰজা হৰ্ষবৰ্ধনৰ লগত ভাস্কৰ বৰ্মনৰ সু-সম্পৰ্ক আছিল । ফলত কামৰূপৰ সৈতে কনৌজৰ সু-সম্পৰ্ক গঢ়ি উঠিছিল। ভাস্কৰ বৰ্মনে হংসবেগ নামৰ এজন কটকীৰ হাতত নান তৰহৰ উপহাৰ পঠিয়াই হৰ্ষবৰ্ধনৰ সৈতে মিত্ৰতা স্থাপন কৰিছিল। কুমাৰ ভাস্কৰ বৰ্মণে থানেশ্বৰৰ ৰজা হৰ্ষবৰ্ধনলৈ পাটৰ কাপোৰ পঠিয়াইছিল বুলি সমলসমূহৰপৰা জানিব পাৰি।

(গ) হিউৱেন চাঙৰ টোকাত বর্ণিত কামৰূপ ৰাজ্য।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

চি-ইউ-কি
১৭০০
মাইল

উত্তৰঃ চীনা পৰিব্ৰাজক হিউৱেন চাঙে নালন্দা বিশ্ববিদ্যালয়ত বৌদ্ধ ধৰ্ম সম্বন্ধে অধ্যয়ন কৰিছিল। সেই সময়তে ভাস্কৰ বৰ্মণে তেওঁক কামৰূপলৈ আমন্ত্রণ জনায়। ভাস্কৰ বৰ্মণৰ আমন্ত্রণ ৰক্ষা কৰি হিউৱেন চাং কামৰূপলৈ আহে আৰু প্রায় এমাহ কাল কামৰূপত থাকে। তেওঁৰ ভাৰত সম্বন্ধে ৰচনা কৰা 'চি-ইউ- কি' নামৰ গ্রন্থত কামৰূপ সম্বন্ধে বহুতো কথা লিখি থৈ গৈছে। এই লিখনিৰ পৰা আমি সেই সময়ৰ কামৰূপ সম্বন্ধে বহু কথা জানিব পাৰো। হিউৱেন চাঙৰ টোকা মতে সেই সময়ত কামৰূপৰ পৰিধি প্রায় সোতৰশ মাইল আছিল।

ইয়াৰ লোকসকল সহজ-সৰল আৰু চহকী আছিল। কামৰূপৰ লোকসকল স্মৃতি-শক্তিত প্ৰখৰ আৰু অধ্যয়নৰ প্ৰতি আগ্ৰহী আছিল। মধ্য ভাৰতৰ ভাষাতকৈ কামৰূপৰ ভাষা অলপ বেলেগ আছিল। ইয়াৰ জলবায়ু সেমেকা আৰু চেঁচা। ইয়াৰ লোকসকলে নাৰিকল আৰু কঠাঁলৰ খেতি কৰিছিল । এই ৰাজ্যত কোনো ডাঙৰ নগৰ নাছিল। উত্তৰ ভাৰতৰপৰা কামৰূপ হৈ চীনদেশলৈ যোৱা এক বাণিজ্যিক পথ আছিল।

৭। পুৰণি কামৰূপ ৰাজ্যৰ মানচিত্ৰত থকা ঠাইবোৰৰ এখন তালিকা প্ৰস্তুত কৰা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

কপাহী নদী
ডৰলী নদী

উত্তৰঃ

ডবকা
শোণিতপুৰ
হিৰিম্বা

